## **কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত বীৰ লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী পালন:**

গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত অসম চৰকাৰৰ উদ্যোগত ২২ নবেম্বৰ ২০২২ তাৰিখে বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী পালন কৰা হয় ॥তদুপলক্ষে নৃত্যানুষ্ঠানৰ লগতে বীৰ লাচিত বৰফুকনৰ জীৱন আৰু কৰ্মৰ আধাৰত ৰচিত নাটকৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উপাধ্যক্ষা ড° মৌচুমী বৰদলৈ হাজৰিকাই আদৰণি ভাষণত অনুষ্ঠানটিত উপস্হিত সকলোকে আদৰণি জনাই বীৰ লাচিত বৰফুকনৰ ত্যাগৰ সোঁৱৰণ কৰে আৰু লগতে অসম চৰকাৰে অনুষ্ঠানটি অনুষ্ঠিত কৰাত লোৱা উদ্যোগৰ কাৰণে অসম চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত অংশ গ্ৰহণকাৰী সকলো ছাত্ৰ ছাত্ৰীলৈ অসম চৰকাৰৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰা হব । অনুষ্ঠানত নাৰেঙ্গী আঞ্চলিক মহাবিদ্যালয়, কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয় আৰু লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য আৰু নাট পৰিবেশন কৰে । বিভিন্ন কলেজৰ পৰা অহা ছাত্ৰ-ছাত্ৰী , শিক্ষকবৃন্দ আৰু কৰ্মচাৰীসকল উপস্হিত থকা আজিৰ এই অনুষ্ঠানটিৰ আঁত ধৰে দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৰমী চৌধুৰীয়ে।